**জনসংযোগ, অসম**
**মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ**
**প্ৰেছ বাৰ্তা**

---

**নং ঃ ৬০৪/২০১৯**

# আদিবাসী আৰু চাওতাল সংস্থাৰ প্ৰতিনিধিয়ে সাক্ষাৎ কৰিলে মুখ্যমন্ত্ৰীক

**দিছপুৰ, ২৪ ডিচেম্বৰঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি সদৌ আদিবাসী ছাত্ৰ সন্থাৰ প্ৰতিনিধি দলৰ সৈতে এক বৈঠকত মিলিত হৈ তেওঁলোকৰ বিভিন্ন দাবী সম্পৰ্কত চৰকাৰে ইতিবাচক পদক্ষেপ ল'ব বুলি আশ্বাস প্ৰদান কৰে।

জনতা ভৱনস্থিত মুখ্যমন্ত্ৰীৰ সভাকক্ষত অনুষ্ঠিত হোৱা বৈঠকত সদৌ আদিবাসী ছাত্ৰ সন্থাৰ প্ৰতিনিধি দলটোৱে চাহ জনগোষ্ঠীক অতিশীঘ্ৰে অনুসূচিত জনজাতিৰ মৰ্যাদা প্ৰদানৰ বাবে দাবী জনায়। এই সম্পৰ্কত মন্ত্ৰী গোটৰ প্ৰতিবেদন দাখিলৰ পিছতে যথোচিত পদক্ষেপ লোৱা হ'ব বুলি ৰাজ্য চৰকাৰৰ তৰফৰ পৰা আশ্বাস প্ৰদান কৰা হয়। প্ৰতিনিধি দলটোৱে আদিবাসী উন্নয়ন পৰিষদখন ৰাজ্যখনৰ সকলো অংশলৈকে সম্প্ৰসাৰণ কৰাৰ পদক্ষেপ ল'বলৈও আহ্বান জনায়। এই সম্পৰ্কত তেওঁলোকে কয় যে এই উন্নয়ন পৰিষদখন এতিয়া মাত্ৰ ষষ্ঠ অনুসূচীৰ এলেকা সমূহতে আছে। অন্যান্য এলেকাত চাহ জনজাতি কল্যাণ পৰিষদকে চাহ জনগোষ্ঠীৰ বিভিন্ন বিষয় সমূহ চোৱা চিতা কৰাৰ দায়িত্ব অৰ্পণ কৰা হৈছে। মুখ্যমন্ত্ৰীয়ে সংশ্লিষ্ট বিভাগ সমূহৰ সৈতে আলোচনা কৰি এই সম্পৰ্কত ইতিবাচক পদক্ষেপ লোৱা হ'ব বুলি প্ৰতিনিধি দলটোক আশ্বাস প্ৰদান কৰে।

বৈঠকত মুখ্যমন্ত্ৰীয়ে সদৌ আদিবাসী ছাত্ৰ সন্থাক চাহ জনগোষ্ঠীৰ যোগ্য হিতাধিকাৰীক ভূমিৰ পট্টা প্ৰদানৰ বাবে ৰাজহ চক্ৰ ভিত্তিত তালিকা দাখিলৰ পদক্ষেপ ল'বলৈও আহ্বান জনাই যাতে এই সকল লোকলৈ চৰকাৰে গ্ৰহণ কৰা পদক্ষেপ অনুযায়ী ভূমি পট্টা প্ৰদান কৰিব পৰা যায়। বৈঠকত সদৌ আদিবাসী ছাত্ৰ সন্থাই মুখ্যমন্ত্ৰীক অৱগত কৰে যে যোগ্যতা নথকা সম্প্ৰদায় সমূহেও চাহ জনগোষ্ঠীৰ সদস্যৰ দৰে জাতিগত প্ৰমাণ পত্ৰ লাভ কৰিছে। মুখ্যমন্ত্ৰীয়ে এই সম্পৰ্কত আদিবাসী সম্প্ৰদায়ৰ ১০৬ টা উপজাতিৰ প্ৰতিনিধিত্বৰে এক প্ৰতিষ্ঠিত সংস্থা গঠন কৰাৰ বাবেও পদক্ষেপ ল'বলৈ কয় যাতে যোগ্য সকলেহে এই প্ৰমাণ পত্ৰ লাভ কৰিব পাৰে। মুখ্যমন্ত্ৰীয়ে এই সম্পৰ্কত এক উপযুক্ত পৰিকাঠামো প্ৰস্তুত কৰাৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে যাতে উপযুক্ত হিতাধিকাৰীয়েহে জাতিৰ প্ৰমাণ পত্ৰ লাভ কৰিব পাৰে।

প্ৰতিনিধি দলটোক মুখ্যমন্ত্ৰীয়ে লগতে জনাই যে জাষ্টিন লাক্ৰাৰ নামত ৰাজ্যিক পৰ্যায়ৰ এখন ফুটবল প্ৰতিযোগিতা অনুষ্ঠিত কৰাৰ দিশত ৰাজ্য চৰকাৰে সকলো প্ৰকাৰৰ সহায়-সহযোগিতা আগবঢ়াব। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে কৰম পূজাৰ দিনটো চৰকাৰী বন্ধ ঘোষণা কৰাৰ দিশত

**জনসংযোগ, অসম**

**মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ**

**প্ৰেছ বাৰ্তা**

---

তেওঁলোকে জনোৱা দাবী ৰাজ্য চৰকাৰে ইতিবাচক দৃষ্টিভংগীৰে বিবেচনা কৰিব। ৰাজ্যখনৰ উচ্চতৰ মাধ্যমিক বিদ্যালয় সমূহত আদিবাসী ভাষিক শিক্ষক, কেন্দ্ৰীয় লোকসেৱা আয়োগ, অসম লোকসেৱা আয়োগ, চিকিৎসা বিজ্ঞান আৰু অভিযান্ত্ৰিক বাছনি পৰীক্ষাৰ বাবে চাহ জনগোষ্ঠীৰ ছাত্ৰ-ছাত্ৰীসকলক বিনামূলীয়া প্ৰশিক্ষণ প্ৰদানৰ আসন বৃদ্ধি কৰাৰ পদক্ষেপ ল'বলৈও প্ৰতিনিধি দলটোৱে দাবী জনায়।

ইয়াৰ পিছতে মুখ্যমন্ত্ৰীয়ে সদৌ চাওতাল ছাত্ৰ সন্থাৰ প্ৰতিনিধি দল এটাৰ সৈতে বৈঠকত মিলিত হয়। বৈঠকত প্ৰতিনিধি দলটোৱে বিভিন্ন দাবী সম্বলিত এখন স্মাৰক পত্ৰও মুখ্যমন্ত্ৰীক দাখিল কৰে। স্মাৰক পত্ৰত তেওঁলোকৰ সম্প্ৰদায়ৰ স্বাৰ্থ সুৰক্ষিতকৰণৰ বাবে তেওঁলোকৰ সম্প্ৰদায়ৰ শ্বহীদসকলৰ নামত শ্বহীদ স্মাৰক নিৰ্মাণৰ বাবেও দাবী জনায়। এই সম্পৰ্কত ৰাজ্য চৰকাৰে পদক্ষেপ ল'ব বুলিও প্ৰতিনিধি দলটোক আশ্বাস প্ৰদান কৰে।

সদৌ চাওতাল ছাত্ৰ সন্থাই এককালীন অনুদান লাভ কৰা তথা এই অনুদান লাভ নকৰা শ্বহীদৰ তালিকা এখন প্ৰদানৰ বাবেও আহ্বান জনাই যাতে এই সম্পৰ্কে উপযুক্ত পদক্ষেপ ল'ব পৰা যায়। ৰাজ্যখনৰ বিদ্যালয় সমূহত চাওতালী ভাষাৰ পাঠ্যপুথি প্ৰদানৰ বাবে জনোৱা দাবীৰ প্ৰতি সহাঁৰি জনাই তেওঁলোকক আশ্বাস প্ৰদান কৰা হয় যে ৰাজ্য চৰকাৰৰ অসম পাঠ্যপুথি প্ৰকাশন আৰু প্ৰণয়ন নিগমে এই শিক্ষাবৰ্ষৰ পৰাই এই পাঠ্যপুথি যোগানৰ দিশত ব্যৱস্থা গ্ৰহণ কৰিব। গুৱাহাটীৰ বেলতলাত এই সন্থাৰ এক অতিথিশালা আৰু হোষ্টেল নিৰ্মাণৰ পদক্ষেপ গ্ৰহণৰ বাবেও ৰাজ্য চৰকাৰে পদক্ষেপ লোৱাৰ উপৰি চাৰিখন জিলাত অতিথিশালা নিৰ্মাণৰ বাবে জনোৱা প্ৰস্তাৱৰ দিশটোও ৰাজ্য চৰকাৰে বিবেচনা কৰিব বুলি তেওঁলোকক আশ্বাস প্ৰদান কৰা হয়।

বৈঠকত বিত্ত, স্বাস্থ্য ইত্যাদি বিভাগৰ মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণী কল্যাণ বিভাগৰ মন্ত্ৰী চন্দন ব্ৰহ্ম, লোক সভাৰ সাংসদ পল্লৱ লোচন দাস, ৰাজ্য সভাৰ সাংসদ কামাখ্যা প্ৰসাদ তাছা, বিধায়ক সঞ্জয় কিষাণ, ডাঃ ৰনোজ পেগু, ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণী কল্যাণ বিভাগৰ আয়ুক্ত সচিব ড° এম অংগমুথুৰ উপৰি শীৰ্ষ বিষয়া সকল উপস্থিত থাকে।

**স্বাঃডেঃ / বঃভাঃ /পুঃডেঃ**
**২৪/১২/২০১৯**